জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৩৩/২০২০

# ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ভিডিঅ’ কনফাৰেঞ্চৰ জৰিয়তে হোৱা বৈঠকত বাঘজানৰ শেহতীয়া পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

## ‘এই সংকটৰ সময়ত মই বাঘজানৰ ৰাইজৰ কাষত আছোঁ’ ঃ প্ৰধানমন্ত্ৰী

- বৈঠকত অংশ ল’লে কেন্দ্ৰীয় গৃহমন্ত্ৰী, কৃষিমন্ত্ৰী, পেট্ৰ’লিয়াম মন্ত্ৰী, পৰিৱেশ আৰু বনমন্ত্ৰী, ড’নাৰ মন্ত্ৰীয়ে
- বাঘজানৰ শেহতীয়া পৰিস্থিতিৰ সবিশেষ প্ৰধানমন্ত্ৰীক অৱগত কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।
- বাঘজানৰ ৰাইজৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ বাবে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব ভাৰত চৰকাৰে ঃ প্ৰধানমন্ত্ৰী
- তৈলখাদ আৰু গেছকূপত সংঘটিত হ’ব পৰা দুৰ্ঘটনাৰ মোকাবিলা কৰিব পৰাকৈ স্থানীয় বিশেষজ্ঞ গঢ়ি তোলাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পেট্ৰ’লিয়াম টেক্‌ন’লজি বিভাগক উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰীক অনুৰোধ জনালে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ১৮ জুনঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ’ কনফাৰেন্সযোগে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৰা বাঘজানৰ শেহতীয়া পৰিস্থিতিৰ বুজ লয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰীয়ে আজি বাঘজানৰ শেহতীয়া পৰিস্থিতি, অগ্নি নিৰ্বাপনৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপ তথা ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰ সংস্থাপন ইত্যাদি বিষয় সম্পৰ্কত মুখ্যমন্ত্ৰীৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনা কৰে।

ভিডিঅ’ কনফাৰেন্সযোগে হোৱা আলোচনাকালত কেন্দ্ৰীয় পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব তৰুণ কাপুৰে বাঘজানৰ সমগ্ৰ ঘটনাৱলী আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ সবিশেষ সামৰি এক প্ৰেজেণ্টেশ্যন আগবঢ়ায়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

বাঘজানৰ শেহতীয়া পৰিস্থিতিৰ সবিশেষ প্ৰধানমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে বাঘজানৰ ঘটনাৱলীৰ পিছতে প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে গেছ কূপত অগ্নিকাণ্ড নিৰ্বাপিত নোহোৱা বাবে সমীপৱৰ্তী জনসাধাৰণৰ মনত এতিয়াও ভয় আৰু শংকাই বিৰাজ কৰি আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বাঘজানৰ অগ্নিকাণ্ডস্থলীৰ পৰা তিনি কিঃমিঃ ব্যাসাৰ্ধলৈ ভূকম্পন অনুভূত হোৱা বাবে সেই অঞ্চলত থকা বিভিন্ন গৃহৰ ক্ষতিসাধন হোৱাৰ উপৰি ৰাইজ আতংকিত হৈ আছে। এই ভূকম্পনৰ প্ৰকৃত কাৰণ অনুসন্ধান কৰাৰ বাবে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু গুৱাহাটী আই আই টিৰ বিজ্ঞানীসকলক দায়িত্বভাৰ অৰ্পণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে। অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ পিছতেই ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীয়ে উক্ত অঞ্চলত বাহৰ পাতি সাহায্য আৰু উদ্ধাৰ অভিযান প্ৰত্যক্ষভাৱে তদাৰক কৰি আছিল বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে। বাঘজান অঞ্চলৰ বাবে অৰ্থনৈতিক পেকেজ ঘোষণা কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অঞ্চলটোৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে ২৭ কোটি টকা, এখন আদৰ্শ চিকিৎসালয় আৰু পশু চিকিৎসালয়, এখন আদৰ্শ বিদ্যালয়, ৩০০ আত্ম-সহায়ক গোটলৈ বিত্তীয় অনুদান, মাগুৰি-মটাপুং বিলক পৰ্যটকৰ আকৰ্ষণস্থলী হিচাপে ৰূপান্তৰকৰণ, বাঘজানৰ পৰা তিনিচুকীয়ালৈ থকা পথছোৱা উন্নীতকৰণ, দক্ষতা উন্নয়ন কেন্দ্ৰ প্ৰতিষ্ঠা ইত্যাদিৰ লেখীয়া আঁচনিসমূহ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে যে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰালয়ে বিদেশী বিশেষজ্ঞৰ দ্বাৰা অগ্নি নিৰ্বাপনৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰত্যক্ষভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি আছে বুলি অৱগত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰৰ এই প্ৰয়াসৰ বাবে সম্প্ৰতি ৰাইজ আস্বস্ত হৈছে আৰু চৰকাৰৰ পদক্ষেপৰ প্ৰতি সহযোগিতা আগবঢ়াই আছে।

তৈলখাদ আৰু গেছকূপত সংঘটিত হ'ব পৰা এনেধৰণৰ দুৰ্ঘটনাৰ মোকাবিলা কৰিব পৰাকৈ স্থানীয় বিশেষজ্ঞ গঢ়ি তুলিবৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পেট্ৰ'লিয়াম টেক্‌ন'লজি বিভাগক উন্নীতকৰণৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। এই পদক্ষেপে ভৱিষ্যতে এনেধৰণৰ সংকটৰ সময়ত বিদেশৰ বিশেষজ্ঞলৈ অপেক্ষা নকৰাকৈ থলুৱা বিশেষজ্ঞৰ দ্বাৰা তাৎক্ষণিক পদক্ষেপ লোৱাত বিশেষভাৱে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আলোচনাত অংশ লৈ কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে বাঘজানৰ অগ্নি নিৰ্বাপনৰ বাবে তেওঁৰ মন্ত্ৰালয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে এই সংকটৰ সময়ত কেন্দ্ৰীয় চৰকাৰ বাঘজানৰ ৰাইজৰ কাষত আছে। এই অগ্নিকাণ্ডৰ ফলত হোৱা স্থানীয় জনসাধাৰণৰ ক্ষয়-ক্ষতি, সাহায্য, পুনৰ সংস্থাপন ইত্যাদিৰ দিশত কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ দায়িত্ব পালন কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। অদূৰ ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে পদক্ষেপ লোৱা হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

ভিডিঅ' কনফাৰেন্সযোগে অনুষ্ঠিত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এই বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় কৃষিমন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰ, কেন্দ্ৰীয় পৰিৱেশ আৰু বনমন্ত্ৰী প্ৰকাশ জাভেদকাৰ, ড'নাৰ মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙৰ লগতে কেইবাগৰাকীও ৰাজ্যিক মন্ত্ৰী, কেন্দ্ৰীয় কেবিনেট সচিবকে ধৰি দপ্তৰসমূহৰ শীৰ্ষস্থানীয় বিষয়াসকলে অংশগ্ৰহণ কৰে। আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে এই ভিডিঅ' কনফাৰেন্সৰ সময়ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / প্ৰঃকুঃবঃ / বঃভাঃ**
**১৮/৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in